**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 13-06-2026**
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড⁰ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে আজি ১ জুলাইৰ পৰা অসমত বিকশিত ভাৰত জি ৰাম জি আঁচনি ৰূপায়ণত অনুমোদন জনাইছে। এই আঁচনিৰ জৰিয়তে গ্ৰাম্য নিয়োগ নিশ্চিত কৰাৰ লগতে সম্পদ সৃষ্টিত গুৰুত্ব আৰোপ কৰা হ'ব আৰু আঁচনিখন ৰূপায়ণ কৰাৰ বাবে চলিত বৰ্ষত দুহেজাৰ কোটি টকা ব্যয় কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত পূৰ্বৰ ৯০ দিনৰ পৰিৱৰ্তে এতিয়া ১২৫ দিনৰ বাবে গাঁৱৰ জনসাধাৰণৰ বাবে নিশ্চিত নিয়োগৰ সুবিধা প্ৰদান কৰা হ'ব। ড০ শৰ্মাই কয়, যে এতিয়াৰে পৰা ৰাজ্যত ১৮ বছৰৰ ওপৰৰ কোনো লোককে আধাৰ কাৰ্ড দিয়া নহয় বুলি মন্ত্ৰীসভাত সিদ্ধান্ত লোৱা হৈছে। ভৱিষ্যতে ১৮ বছৰ উৰ্ধৰ ব্যক্তিক আধাৰ কাৰ্ড প্ৰদান কৰিবলগীয়া হ'লে জিলা আয়ুক্তই ৰাজ্য চৰকাৰৰ অনুমতি ল'ব লাগিব বুলি তেওঁ প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে চাহ জনজাতি আৰু অনুসূচীত জাতি-জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ বাবে ছমাহৰ বাবে বিশেষ ৰেহাই দি অহা বছৰৰ ২৭ মাৰ্চ পৰ্যন্ত আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাটো বাহাল ৰখা হ'ব।

**(বাইট ঃ ড০ শৰ্মা)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰীসভাই লোকপ্ৰিয় গোপানীথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ আশেপাশে ছেটেলাইট চিটি নিৰ্মাণৰ উদ্দেশ্যে গুৱাহাটী ছেটেলাইট চিটি উন্নয়ন প্ৰাধিকৰণ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। গুৱাহাটী মহানগৰৰ বৰ্তমানৰ সীমাৰ ভিতৰতে এই প্ৰকল্প আবদ্ধ থাকিব বুলি তেওঁ সাংবাদিকৰ আগত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ৬ জুলাইৰ পৰা অসম বিধানসভাৰ বাজেট অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ২১ দিনতকৈ অধিক সময়ৰ বাবে চলিবলগীয়া এই অধিৱেশনতে বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পূৰ্ণাংগ বাজেট উত্থাপন কৰিব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা অপৰিসীম আগ্ৰহৰ বাবে অঞ্চলটোৰ অভূতপূৰ্ব উন্নয়ন হোৱা বুলি মুখ্যমন্ত্ৰী ড⁰ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। আজি সন্ধিয়া গুৱাহাটীৰ বাজপেয়ী ভৱনত আয়োজিত সংবাদ মাধ্যমৰ অভিৱৰ্তনত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰধানমন্ত্ৰীয়ে অসমক সদায় অগ্ৰাধিকাৰ দি আহিছে। তেওঁ কয়, যে বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী মোদী ৩৬ বাৰ অসমলৈ আহিছে। পূৰ্বে কোনো প্ৰধানমন্ত্ৰী ইমানবাৰ অসমলৈ অহা নাছিল। শ্ৰী মোদীয়ে অসমৰ গামোচা বিশ্ববাসীক চিনাকি কৰি দিয়া বুলি তেওঁ মন্তব্য কৰে। তেওঁ ৰাজ্যত ৰূপায়ণ হ'বলগীয়া উন্নয়নমূলক প্ৰকল্প আৰু পথ যোগাযোগৰ উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পৰিকল্পনাৰ কথাও এই অনুষ্ঠানত সদৰী কৰে। তেওঁ গুৱাহাটী-তিনিচুকীয়াৰ মাজত এক্সপ্ৰেছ ক'ৰিড'ৰ নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে। শিলিগুড়ি শিলচৰ সংযোগী পথ নিৰ্মাণৰ কাম চলি আছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ কয়, যে বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ শীঘ্ৰে চাৰিটা লেনযুক্ত পথ নিৰ্মাণ কৰা হ'ব। বাংলাদেশৰ সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰা সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী ড⁰ শৰ্মাই কেৱল অসমৰেই নহয় বাংলাদেশৰে সংযুক্ত

দেশৰ আন ৰাজ্যৰো সীমান্ত সম্পূৰ্ণৰূপে ছীল কৰিলেহে অবৈধ প্ৰব্ৰজনৰ সমস্যাটো সমাধান হ'ব বুলি জানিবলৈ দিয়ে।

০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী তথা কামৰূপ মহানগৰ জিলা অভিভাৱক মন্ত্ৰী অতুল বৰাই আজি জিলাখনৰ বিভিন্ন চৰকাৰী বিভাগসমূহৰ কাম-কাজ পৰ্যালোচনা কৰে। জিলা প্ৰশাসন আৰু বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে বিভাগীয় কাম-কাজৰ খতিয়ান লয়। তেওঁ নিৰ্ধাৰিত সময়ৰ ভিতৰত চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কোনো হিতাধিকাৰীয়ে যাতে কল্যানকামী আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈও তেওঁ বিষয়াসকলক আহ্বান জনায়। এই বৈঠকত নিউ গুৱাহাটী সমষ্টিৰ বিধায়ক বিজয় গুপ্তা, ডিমৰীয়াৰ বিধায়ক ড০ তপন দাস, জিলা আয়ুক্ত স্বপ্নীল পাল, যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনকে ধৰি ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

০০০

কাৰ্বি আংলং জিলাত যক্ষ্মা মুক্ত জিলা হিচাপে গঢ়ি তোলাৰ বাবে জিলা যক্ষ্মা কেন্দ্ৰৰ উদ্যোগত বোকাজান মহকুমাৰ অন্তৰ্গত চিলনীজান খকৰাজান বুনিয়াদী স্বাস্থ্য কেন্দ্ৰত এশ দিনীয়া যক্ষ্মা মুক্ত অভিযানৰ কাৰ্যসূচী আজি শুভাৰম্ভ কৰা হয়। স্থানীয় বিধায়ক তথা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ স্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ কাৰ্যবাহী সদস্য সূৰ্য ৰংফাৰ আৰু বিশেষজ্ঞ চিকিৎসকসকলৰ উপস্থিতিত ৰোগীসকলৰ স্বাস্থ্য পৰীক্ষা কৰি পুষ্টিকৰ খাদ্যৰ টোপোলা আগবঢ়োৱা হয়। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত চলিত বছৰটোত এতিয়ালৈকে ৪৪২ জন লোক যক্ষ্মা ৰোগত আক্ৰান্ত হৈছে। যোৱা বছৰ জিলাখনত এহেজাৰ ২০৫ জন লোক এই ৰোগত আক্ৰান্ত হৈছে।

০০০

মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত সোণালীপামস্থিত ধৰ্মনাৰায়ণ ষ্টেডিয়ামত আজিৰে পৰা ১৩ বছৰ অনুৰ্ধ আন্তঃক্লাৱ ফুটবল লীগ প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। আজি উদ্বোধনী খেলত নৰ্থ মঙলদৈ ক্লাবে চিৰসেউজী সংঘক ৪ গলত পৰাজিত কৰে।

০০০

আন্ত:ৰাষ্ট্ৰীয় সাঁতোৰবিদ , অসম সৌৰভ এলভিছ আলী হাজৰিকা সহ ৪ জন সাঁতোৰবিদে আৰৱ সাগৰত ১৫ দিনত দিনে-নিশাই ১৩০০ কিলোমিটাৰ সাতোঁৰৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত এই কথা ঘোষণা কৰি আন্ত:ৰাষ্ট্ৰীয় সাঁতোৰবিদ এলভিছ আলী হাজৰিকাই কয় যে ১৪ নৱেম্বৰত মহাৰাষ্ট্ৰৰ মুম্বাইৰপৰা আৰম্ভ হ 'বলগীয়া যাত্ৰা গোৱা হৈ ২৮ নৱেম্বৰত কৰ্ণাটকত অন্ত পৰিব। এই দূৰত্ব অতিক্ৰম কৰিবলৈ প্ৰায় ১৫ দিন সময় লাগিব। এই কাৰ্যত সফল হ'লে সাগৰত আটাইতকৈ দীৰ্ঘ দূৰত্ব সাঁতোৰাৰ নতুন বিশ্ব অভিলেখ সৃষ্টি হ 'ব বুলি হাজৰিকাই ব্যক্ত কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ